**চৰকাৰী বিধেয়ক** (Government or Public Bill)

সদনত যিবিলাক বিধেয়ক মন্ত্ৰীসকলে উত্থাপন কৰে, সেই বিধেয়কৰ প্ৰতি মন্ত্ৰীসভাৰ সমৰ্থন থাকে। এনে ধৰণৰ বিধেয়কক চৰকাৰী বিধেয়ক বুলি কোৱা হয়।

**বেচৰকাৰী বিধেয়ক** (Private Members Bill)

সংসদত মন্ত্ৰীসকলৰ বাহিৰে অন্য সদস্যই যিবোৰ বিধেয়ক উত্থাপন কৰে, সেইবোৰক বেচৰকাৰী বিধেয়ক বুলি কোৱা হয়। এনে বিধেয়কত মন্ত্ৰীসভাৰ সমৰ্থন নাথাকে।

চৰকাৰী আৰু বেচৰকাৰী বিধেয়কৰ মাজৰ পাৰ্থক্যসমূহ হ'ল—

**প্ৰথমতে,** চৰকাৰী বিধেয়ক সংশ্লিষ্ট বিভাগে (concerned department) আইন মন্ত্ৰালয়ৰ সৈতে আলোচনা কৰি যুগুত কৰে। কিন্তু বেচৰকাৰী বিধেয়ক সংসদৰ যিকোনো এজন সদস্যই নিজা দায়িত্বত যুগুত কৰে।

**দ্বিতীয়তে,** মন্ত্ৰীসভাৰ অনুমোদনক্ৰমে চৰকাৰী বিধেয়ক সংসদত উত্থাপন

কৰা হয়। কিন্তু বেচৰকাৰী বিধেয়কৰ ক্ষেত্ৰত মন্ত্ৰীসভাৰ অনুমোদন নাথাকে।

**তৃতীয়তে,** চৰকাৰী বিধেয়কৰ জৰিয়তে চৰকাৰৰ নীতি তথা দৃষ্টিভংগী প্ৰকাশ পায়। আনহাতে বেচৰকাৰী বিধেয়কত চৰকাৰী নীতিৰ প্ৰতিফলন নাথাকে।

**চতুৰ্থতে,** সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থনত চৰকাৰ গঠন হয়। গতিকে চৰকাৰী বিধেয়ক সংসদত অনুমোদন হোৱাৰ সম্ভাৱনা অধিক থাকে। আনহাতে, বেচৰকাৰী বিধেয়ক সাধাৰণতে বিৰোধী পক্ষৰ সদস্যসকলে উত্থাপন কৰা দেখা যায়। গতিকে এনে বিধেয়ক নাকচ হোৱাৰ সম্ভাৱনা থাকে।

**পঞ্চমতে,** লোকসভাত চৰকাৰী বিধেয়ক নাকচ হ'লে চৰকাৰৰ পতন হ'ব পাৰে। কিন্তু বেচৰকাৰী বিধেয়ক নাচকৰ লগত চৰকাৰ পতনৰ প্ৰশ্ন জড়িত নাথাকে।

**ষষ্ঠতে,** চৰকাৰী বিধেয়ক সংসদত উত্থাপন কৰাৰ কমেও সাত দিন পূৰ্বে জাননী দিব লাগে। আনহাতে বেচৰকাৰী বিধেয়ক উত্থাপনৰ বাবে কমেও এমাহ পূৰ্বে জাননী দিব লাগে।

**সপ্তমতে,** চৰকাৰী বিধেয়কে সকলো প্ৰকাৰৰ সাংবিধানিক বিধেয়কক সামৰি লয়। আনহাতে, বেচৰকাৰী বিধেয়কে মাত্ৰ সাধাৰণ বিধেয়ককহে সামৰি লয়।

এইদৰে চৰকাৰী আৰু বেচৰকাৰী বিধেয়কৰ মাজত বিভিন্নতা পৰিলক্ষিত হয়। ভাৰতবৰ্ষ, ইংলেণ্ড আদিৰ দৰে সংসদীয় শাসন প্ৰচলন থকা দেশবোৰত উক্ত দুয়ো প্ৰকাৰৰ বিধেয়কৰ ব্যৱস্থা থকা দেখা যায়।